জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৬২/২০২২

### ৭০ মেগাৱাট শক্তি সম্পন্ন আমগুৰি সৌৰ উদ্যান উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# বিদ্যুতৰ চাহিদা পূৰণৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ মে’** ঃ নবীকৰণযোগ্য শক্তিৰে ৰাজ্যৰ শক্তিখণ্ডৰ বিকাশ সাধনৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ আমগুৰিত ৭০ মেগাৱাট শক্তি সম্পন্ন এখন সৌৰ উদ্যান উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদত চহকী হোৱা সত্ত্বেও উপযুক্ত পৰিকল্পনাৰ অভাৱত নবীকৰণযোগ্য শক্তি আহৰণত ৰাজ্যখনে বহুদূৰ পিছুৱাই থাকিবলগীয়া হৈছিল। তেওঁ কয় যে আমগুৰি প্ৰকল্পই ৰাজ্যৰ শক্তিখণ্ডক অধিক গতিশীল কৰি তুলিব। আধুনিক অসমৰ বুৰঞ্জীত ই এক মাইলৰ খুটি স্বৰূপ হৈ ৰ’ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বহনক্ষম উন্নয়নৰ বাবে অপৰম্পৰাগত শক্তি খণ্ডৰ পৰা বিদ্যুৎ আহৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে। কয়লাৰ পৰা বিদ্যুৎ উৎপাদন কৰাৰ ফলত বায়ুমণ্ডলত প্ৰত্যক্ষ প্ৰভাৱ পৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত ভূ-পৃষ্ঠৰ উষ্ণতা যথেষ্ট বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সৌৰ শক্তি উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যসমূহক এই দিশত আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। আজিৰ এই প্ৰকল্পই সেই দিশত ইতিবাচক প্ৰভাৱ পেলাব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ বাবে ২২০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন। জলবিদ্যুৎ অথবা সৌৰ চালিত শক্তিৰ জৰিয়তে এই চাহিদা পূৰণ কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে ১০০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ এক ঐতিহাসিক দিশলৈ গৈ আছে বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শক্তিখণ্ডক গতিশীল কৰি তুলিবলৈ বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা প্ৰয়াস চলাই আহিছে আৰু তাৰ ফলত লোকচানৰ পৰিৱৰ্তে এতিয়া লাভৰ দিশলৈ গতি কৰিবলৈ সক্ষম হৈছে। ৰাইজে বিদ্যুতৰ বিল নিয়মীয়াকৈ পৰিশোধ কৰাৰ বাবে ৮০০ কোটি টকা লাভ কৰিবলৈ শক্তিখণ্ডই সমৰ্থ হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সাধাৰণ লোকৰ জীৱন যাত্ৰা যাতে সুচল হয় তাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। অৰুণোদয় আঁচনিৰ ধনৰ পৰিমাণ ১২৫০ টকালৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে আৰু ইয়াৰে ২৫০ টকা বৈদ্যুতিক বিল পৰিশোধ কৰিব পাৰিব বুলিও তেওঁ কয়। অসমত নতুনকৈ আৰু ৭ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হ’ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমগুৰি সমষ্টিত অতিৰিক্ত ৭ হাজাৰ হিতাধিকাৰীক এই আঁচনিখনৰ জৰিয়তে সামৰি লোৱা হ’ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ন্যূনতম সমৰ্থিত মূল্যৰ জৰিয়তে

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

চাৰে তিনি লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিছে।

আমগুৰি সমষ্টিৰ জনসাধাৰণে যাতে নিয়মিতিভাৱে বিদ্যুৎ লাভ কৰে তাৰ বাবে বিতৰণ ব্যৱস্থাটো শক্তিশালী কৰা আৰু প্ৰয়োজনীয় ট্ৰেন্সফৰ্মাৰ বহুৱাৰ বাবেও শক্তি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ আমগুৰি চিকিৎসালয়খনক ১০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা হ'ব বুলিও ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে আমগুৰি কেন্দ্ৰীয় নাট্য মন্দিৰলৈ ২ কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে আমগুৰি পৰিদৰ্শন বঙলাৰ উন্নয়ন সাধনৰ বাবেও ৭ কোটি টকা ৰাজ্য চৰকাৰে আগবঢ়াব বুলি ঘোষণা কৰে।

মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা আজিৰ এই অনুষ্ঠানত শক্তিমন্ত্ৰী বিমল বৰাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজহ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে প্ৰদীপ হাজৰিকা, ধৰ্মেশ্বৰ কোঁৱৰ, সুশান্ত বৰগোঁহাই, শক্তিখণ্ডৰ শীৰ্ষ বিষয়াসকলকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**৩১/০৫/২০২২**